/93953/2023

অসম চৰকাৰ
জিলা আয়ুক্তৰ কাৰ্য্যালয় দৰং ঃঃ মঙ্গলদৈ
(মীন শাখা)

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা যায় যে ,দৰং জিলাৰ মঙ্গলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত ১৬ নং দন্দলাগী মীন মহলখন পুনৰ বন্দোৱস্তীৰ বাবে ইং ২২-০৯-২০২৩ তাৰিখৰ পৰা ইং ০৭-১০-২০২৩ তাৰিখলৈ দিনৰ ১১.০০ বজাৰ পৰা দিনৰ ২.৩০ বজালৈ কাৰ্য্যালয় খোলা দিনত জিলা আয়ুক্তৰ কাৰ্য্যালয়ত নিবিদা গ্ৰহণ কৰা হব বুলি জাননী জাৰি কৰা হল। ইং ০৭-১০-২০২৩ তাৰিখে দিনৰ ৩.০০ বজাত নিবিদাকাৰীৰ সন্মুখত জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত নিবিদাসমূহ খোলা হব। সেয়ে মীন মহলখন বন্দোৱস্তীৰ বাবে ৮.২৫ টকাৰ আদালতৰ মোহৰযুক্ত নিবিদা ইচ্ছুক ব্যক্তি / গোট ৰ পৰা আহ্বান কৰা হল।

**তলত উল্লেখ কৰা চৰ্ত সাপেক্ষে মীন মহলখন বন্দোৱস্তী দিয়া হব :**

ক) অসম মীন (সংশোধনী) নিয়মাৱলী ২০০৫ ৰ নিয়ম ১২ অনুসৰি মীন মহলখনৰ সমীপৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে নিয়ম ১৩ (গ) অনুসৰি ৪০% মীন মহলখনত ১০০% প্ৰকৃত মাছমৰীয়া লোক, অনুসুচিত জাতি বা মাইমল সম্প্ৰদায় (তদানীন্তন কাছাৰ জিলাৰ) ৰ অথবা ১০০% প্ৰকৃত মাছমৰীয়া লোকেৰে গঠিত ,অনুসুচিত জাতি বা মাইমল সম্প্ৰদায় (তদানীন্তন কাছাৰ জিলাৰ )ৰ মীন সমবায় সমিতি, আত্ম সহায়ক গোট, এন. জি. অ. ই নিবিদা দিব পাৰিব।

খ) নিবিদাকাৰী সংশ্লিষ্ট জিলাৰ আৰু মীন মহলখনৰ ওচৰ চুবুৰীয়া হব লাগিব।

গ) নিবিদা, জিলা আয়ুক্ত কাৰ্য্যালয়ৰ নিৰ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হব।

ঘ) ইচ্ছুক নিবিদাকাৰীয়ে কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্ধাৰিত সময় সুচীমতে নিৰ্ধাৰিত বাকচত নিবিদা জমা দিব পাৰিব। নিৰ্ধাৰিত সময়ৰ পিছত কোনো নিবিদা গ্ৰহণ কৰা নহব।

ঙ) নিবিদা নিৰীক্ষণ কমিটিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত বুলি গণ্য কৰা হব।

**তলত উল্লেখ কৰা প্ৰমাণ পত্ৰ সমুহ সংলগ্ন কৰি নিবিদা দাখিল কৰিব লাগিব ঃ**

১) অনুসূচীত জাতি/ মাইমল সম্প্ৰদায় বৰাক উপত্যকাৰ (সংশ্লিষ্ট বিভাগৰ পৰা প্ৰত্যায়িত প্ৰমাণ পত্ৰৰ প্ৰতিলিপি)/ অনুসূচীত জনজাতি / অন্যান্য পিছপৰা জাতি / সমবায় সমিতি / বৃত্তিত মাছমৰীয়া/ এন জি অ / আত্মসহায়ক গোট / ১০০% প্ৰকৃত মীন পালক হোৱাৰ প্ৰমাণ পত্ৰ।

২) সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰপৰা নিৰ্দিষ্ট দূৰত্ব উল্লেখ থকা পাৰবাসী হোৱাৰ প্ৰমাণপ্ৰাপ্ত ।

৩) জিলা মীন উন্নয়ন বিষয়াৰপৰা মাছ মৰাৰ অভিজ্ঞতাৰ প্ৰমাণপত্ৰ।

৪) জিলা উপায়ুক্তৰ পৰা বাকীজাই মুক্ত প্ৰমাণপত্ৰ।

৫) নিবিদাকাৰীয়ে আগবঢ়োৱা ১ম বছৰৰ ৰাজহৰ ১৫ শতাংশ ৰাজহ কল ডিপজিত যোগে যদি জমা দিয়া হৈছে, তাৰ নং, তাৰিখ , টকাৰ পৰিমাণ আৰু বেংকৰ নাম।

৬) মীন সমবায় সমিতিৰ পঞ্জীয়ন প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি।

৭) আয়কৰ বিভাগৰ পাণ কাৰ্ডৰ (PAN NO.) ফটোকপি / সমবায় সমিতিৰ নামত থকা পাণ কাৰ্ডৰ (PAN NO.) ফটোকপি ।

৮) মীন সমবায় সমিতি হকে নিবিদা দিয়াৰ কৰ্তৃত্ব প্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়তি ফটোকপি গাঠি দিব লাগিব।

৯) মীন সমবায় সমিতিৰ বছৰেকীয়া হিচাব পৰীক্ষাৰ নথি-পত্ৰ আৰু লাভ-লোকচানৰ বিগত ৩ বছৰৰ হিচাবৰ প্ৰতিলিপি।

১০) নিবিদাকাৰীয়ে বন্ধখামৰ ওপৰত অনুজ্ঞা পত্ৰ পাব বিচৰা মীন মহলৰ নাম উল্লেখ কৰিব আৰু নিৰ্দ্ধাৰিত বাকচত নিবিদা জমা দিব লাগিব।

১১) গৃহীত নিবিদাকাৰীয়ে নিৰ্দ্ধাৰিত বাৰ্ষিক ৰাজহৰ ওপৰত পিচৰ বছৰ কেইটাৰ প্ৰতি বছৰে চৰকাৰৰ নীতি নিৰ্দেশনা অনুসৰি অতিৰিক্ত মীন ৰাজহ আদায় দিব লাগিব।

১২) নিবিদাকাৰীৰ স্থাৱৰ/ অস্থাৱৰ সম্পত্তিৰ আনুমানিক মূল্য।

১৩) নিবিদাকাৰীৰ ভোটাৰ কাৰ্ডৰ ফটোকপি।

১৪) ১০.০০(দহ) টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ /বেংকাৰ চেক/ বেংক ড্ৰাফট।

১৫) যি কোনো কাৰণত নিবিদা বাতিল কৰাৰ পূৰ্ণ অধিকাৰ নিম্ন স্বাক্ষৰকাৰীৰ থাকিব আৰু ইয়াৰ বাবে কোনো কাৰণ দৰ্শোৱাৰ বাধ্য নাথাকিব।

১৬) পূৰ্বৰ নিবিদাসমূহ এই জাননীযোগে বাতিল কৰি নিবিদাকাৰী সকলক পুনৰ নিবিদা জমা দিবলৈ আহ্বান জনোৱা হল।

| বন্দোবস্তী দিবলগীয়া মীন মহলৰ নাম | কোন পৰ্য্যায়ৰ অন্তৰ্গত | চৰকাৰী ৰাজহ | কোন তাৰিখৰ পৰা বন্দবস্তী হব |
|---|---|---|---|
| ১৬ নং দন্দলাগী মীন মহল | ৪০% | ৯,৩৬,৩৪০/- টকা | যি তাৰিখত চৰকাৰে বন্দবস্তী দিয়ে |

Signed by Munindra Nath Ngatey
Date: 20-09-2023 19:51:07
জিলা আয়ুক্ত
দৰং::মঙ্গলদৈ

তাৰিখ : ২০ /০৯/২০২৩

স্মাৰকনং-ই ৬২২২৬/ ২০২৩

প্ৰতিলিপি জ্ঞাতাৰ্থে ও কাৰ্য্যকৰণাৰ্থে প্ৰেৰণ কৰা হল :-

১) মূখ্য কাৰ্য্যবাহী বিষয়া, দৰং জিলা পৰিষদ, মঙ্গলদৈ।

২) চক্ৰবিষয়া, মঙ্গলদৈ ৰাজহ চক্ৰ। এই জাননী খন মীন মহলৰ পাৰবাসী ৰাইজৰ মাজত বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ তেখেতক অনুৰোধ জনোৱা হল।

৩) জিলা মীন উন্নয়ণ বিষয়া, দৰং, মঙ্গলদৈ। বহুল প্ৰচাৰৰ বাবে।

৪) সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়ক/উপ-পঞ্জীয়ক, মঙ্গলদৈ। বহুল প্ৰচাৰৰ বাবে।

৫) খণ্ড উন্নয়ণ বিষয়া, পশ্চিম মঙ্গলদৈ উন্নয়ণ খণ্ড। বহুল প্ৰচাৰৰ বাবে।

৬) জিলা তথ্য-প্ৰযুক্তি বিষয়া, ৰাষ্ট্ৰীয় তথ্য-প্ৰযুক্তি বিজ্ঞান কেন্দ্ৰ। বহুল প্ৰচাৰৰ বাবে।

৭) জিলা তথ্য ও জন-সম্পদ ৰক্ষী বিষয়া, দৰং, মঙ্গলদৈ। বাতৰি কাকত ও অন্যান্য মাধ্যমৰ জৰিয়তে বহুল প্ৰচাৰৰ বাবে।

৮) জিলা আয়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক।

Sd/-
জিলা আয়ুক্ত
দৰং :: মঙ্গলদৈ